रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 3 ] NEW DELHI, THURSDAY, JUNE 14, 2018 / 24 JAISTHA, 1940 (Saka) [ VOL : 5
নং ৩ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৪, ২০১৮ / ২৪ জেঠ, ১৯৪০ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

২৭ আগষ্ট, ১৯৯২ তাৰিখে যথাবিদ্যমান

অপৰিহাৰ্য্য সামগ্ৰী (বিশেষ উপবন্ধ), অধিনিয়ম, ১৯৮১ (১৯৮১ ৰ ১৮)

# অপৰিহাৰ্য্য সামগ্ৰী(বিশেষ উপবন্ধ)অধিনিয়ম, ১৯৮১
## (১৯৮১ৰ ১৮)

ধাৰাসমূহৰ ক্ৰম


| ধাৰাসমূহ | পৃষ্ঠা |
| --- | --- |
| ১। সংক্ষিপ্ত নাম, প্ৰাৰম্ভণ আৰু সময় | ১ |
| ২। ১৯৫৫ৰ অধিনিয়ম ১০ এটা অস্থায়ী অবধিৰ বাবে কেতবোৰ বিশেষ উপবন্ধৰ সাপেক্ষে প্ৰভাৱী হ'ব | ১ |
| ৩। ধাৰা ২ৰ সংশোধন | ১ |
| ৪। ধাৰা ৬কৰ সংশোধন | ২ |
| ৫। ধাৰা ৬গৰ সংশোধন | ২ |
| ৬। ধাৰা ৬ঙৰ সংশোধন | ২ |
| ৭। ধাৰা ৭ৰ সংশোধন | ২ |
| ৮। ধাৰা ৮ৰ সংশোধন | ২ |
| ৯। ধাৰা ১০কৰ সংশোধন | ২ |
| ৯ক। নতুন ধাৰা ১০ককৰ প্ৰতিষ্ঠাপন | ২ |
| ১০কক। গ্ৰেপ্তাৰ কৰিবলৈ ক্ষমতা | ২ |
| ১০। ধাৰা ১২ৰ লোপকৰণ | ২ |
| ১১। ধাৰা ১২কৰ বাবে নতুন ধাৰাৰ প্ৰতিষ্ঠাপন | ২ |
| ১২ক। বিশেষ ন্যায়ালয় গঠন | ২ |
| ১২কক। বিশেষ ন্যায়ালয়ৰ দ্বাৰা বিচাৰযোগ্য অপৰাধসমূহ | ৩ |
| ১২কখ। আপীল আৰু পুনৰীক্ষণ | ৪ |
| ১২কগ। বিশেষ ন্যায়ালয়ত কাৰ্য্যবাহী সংহিতাৰ প্ৰয়োগ | ৪ |

# অপৰিহাৰ্য্য সামগ্ৰী (বিশেষ উপবন্ধ) অধিনিয়ম, ১৯৮১
## (১৯৮১ৰ ১৮)

[২৬ ছেপ্তেম্বৰ, ১৯৮১]

অপৰিহাৰ্য্য সামগ্ৰীৰ গোপন মজুতকাৰী আৰু ক'লা ব্যৱসায়, আৰু মুনাফা লাভত জড়িত থকা ব্যক্তিসকলৰ সৈতে আৰু কলুষিত মুদ্ৰাস্ফীতি মূল্য মুখী অসাধু ব্যক্তিক অধিক প্ৰভাৱমূলক সংব্যৱহাৰৰ বাবে এটা অস্থায়ী কালৰ বাবে আৰু তাৰ সৈতে সম্পৰ্কিত আৰু তাৰ আনুষংগিক বিষয়বোৰৰ বাবে, অপৰিহাৰ্য্য সামগ্ৰী অধিনিয়ম, ১৯৫৫ত সংশোধনৰ মাধ্যমেৰে কেতবোৰ বিশেষ উপবন্ধ প্ৰণয়ন কৰিবলৈ এখনি অধিনিয়ম।

যিহেতু সুলভ মূল্যত অপৰিহাৰ্য্য সামগ্ৰীৰ প্ৰাপ্তিসাধ্যতা নিশ্চিত কৰাৰ বাবে এইটো এনে সামগ্ৰীবোৰৰ গোপন মজুতকাৰী আৰু ক'লা ব্যৱসায় আৰু মুনাফা লাভ প্ৰতিবন্ধ কৰিবলৈ আৱশ্যক হয় ;

১৯৫৫ৰ ১০ আৰু যিহেতু এনে অসামাজিক কাৰ্য্য কলাপত জড়িত ব্যক্তিসকলক আৰু কলুষিত মুদ্ৰাস্ফীতি মূল্য মুখী অসাধু ব্যক্তিক অধিক প্ৰভাৱমূলক সংব্যৱহাৰৰ বাবে এইটো [1][পোন্ধৰ বছৰ]ৰ এটা অৱধিৰ বাবে, অপৰিহাৰ্য্য সামগ্ৰী অধিনিয়ম, ১৯৫৫ত সংশোধনৰ মাধ্যমেৰে কেতবোৰ বিশেষ উপবন্ধ প্ৰণয়ন কৰিবলৈ আৱশ্যক।

ইয়াক ভাৰত গণৰাজ্যৰ দ্বাত্ৰিংশ বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হওঁক :-

সংক্ষিপ্ত নাম, প্ৰাৰম্ভণ আৰু সময়। ১। (১) এই অধিনিয়মখন অপৰিহাৰ্য্য সামগ্ৰী (বিশেষ উপবন্ধ) অধিনিয়ম, ১৯৮১ বুলি অভিহিত হ'ব।

(২) ই, এনে তাৰিখৰ পৰা বলবৎ হ'ব যি দৰে কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে আৰু পৃথক তাৰিখসমূহ, পৃথক ৰাজ্যসমূহৰ বাবে নিয়ত কৰিব পাৰে।

১৮৯৭ৰ ১০ (৩) ই, এই অধিনিয়মৰ প্ৰৱৰ্ত্তনৰ এনে সমাপ্তিৰ পূৰ্বে কৰা বা কৰিবলৈ বাদ দিয়া বস্তুৰ সম্পৰ্ক ব্যতিৰেকে এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা [1][পোন্ধৰ] বছৰৰ অৱসানত প্ৰভাৱী নহব, আৰু সাধাৰণ খণ্ড অধিনিয়ম, ১৮৯৭ৰ ধাৰা ৬, এই অধিনিয়মৰ প্ৰৱৰ্ত্তনৰ এনে সমাপ্তিৰ ওপৰত প্ৰয়োগ হ'ব যেনিবা এইটো এখন কেন্দ্ৰীয় অধিনিয়মৰ দ্বাৰা তেতিয়া নিৰসিত কৰা হৈছে।

(৪) এই অধিনিয়মৰ প্ৰাৰম্ভণত আৰু এই অধিনিয়মৰ নিৰস্তৰ বলবৎ কালত এই অধিনিয়মৰ প্ৰসঙ্গ নিৰ্দ্দেশক প্ৰত্যেক ৰাজ্যৰ সম্পৰ্কত সেই ৰাজ্যত এই অধিনিয়ম বলবৎ হোৱাত আৰু সেই ৰাজ্যত এই অধিনিয়মৰ নিৰস্তৰ বলবৎকৰণত যথাক্ৰমে এটা প্ৰসঙ্গ নিৰ্দ্দেশ ৰূপে অৰ্থ হ'ব।

১৯৫৫ৰ অধিনিয়ম ১০ এটা অস্থায়ী অৱধিৰ বাবে কেতবোৰ বিশেষ উপবন্ধৰ সাপেক্ষে প্ৰভাৱী হ'ব। ২। এই অধিনিয়মৰ নিৰস্তৰ বলবৎ কালত, অপৰিহাৰ্য্য সামগ্ৰী অধিনিয়ম, ১৯৫৫, (ইয়াৰ পাচত মূল অধিনিয়ম ৰূপে নিৰ্দ্দেশিত ধাৰা ৩ৰ পৰা ১১ত বিনিৰ্দ্দিষ্ট কৰা সংশোধন সাপেক্ষে প্ৰভাৱী হ'ব :

পৰন্তু ধাৰা ৭ পৰা ১১ত বিনিৰ্দ্দিষ্ট কৰা সংশোধন এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে কৰা মূল অধিনিয়মৰ অধীনত সংঘটিত কোনো অপৰাধত প্ৰযোজ্য নহব বা সম্বন্ধিত নহব আৰু মূল অধিনিয়মৰ উপবন্ধসমূহ এনে অপৰাধলৈ প্ৰযোজ্য আৰু সম্বন্ধিত হ'ব যেনিবা সেই সংশোধনসমূহ কৰা হোৱা নাছিল।

ধাৰা ২ৰ সংশোধন। ৩। মূল অধিনিয়মৰ ধাৰা ২ত,—

(ক) খণ্ড (i ক), খণ্ড (ii ক) ৰূপে পুনঃসংখ্যাঙ্কিত কৰা হৈছে, আৰু এনেদৰে পুনঃসংখ্যাঙ্কিত কৰা (ii ক),ৰ আগত নিম্নলিখিত খণ্ড অন্তঃস্থাপিত কৰা হ'ব, অৰ্থাৎ :-

(i ক) ''সংহিতা'' মানে দণ্ড প্ৰক্ৰিয়া সংহিতা ১৯৭৩ (১৯৭৪ৰ ২) আৰু

(খ) খণ্ড (ঙ)ৰ পাচত, নিম্নলিখিত খণ্ড অন্তঃস্থাপিত কৰা হ'ব অৰ্থাৎ :-

''(চ) এই অধিনিয়মত ব্যৱহৃত কিন্তু পৰিভাষিত নোহোৱা আৰু সংহিতাত পৰিভাষিত হোৱা শব্দ আৰু অভিব্যক্তিসমূহ সেই সংহিতাত সেইবোৰলৈ যথাক্ৰমে আৰোপিত কৰা দৰে অৰ্থ হ'ব''।

---

১। ''দহ বছৰৰ'' বাবে ১৯৯৩ৰ অধিনিয়ম ৩৪ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিস্থাপিত (২৭-৮-১৯৯২ পৰা প্ৰভাৱী হোৱাকৈ)।

অপৰিহাৰ্য্য সামগ্ৰী (বিশেষ উপবন্ধ) অধিনিয়ম, ১৯৮১

ধাৰা ৬কৰ সংশোধন।

৪। মূল অধিনিয়মৰ ধাৰা ৬কত উপধাৰা (২)ৰ পৰন্তুকৰ বাবে, নিম্নলিখিত পৰন্তুক প্ৰতিষ্ঠাপিত কৰা হ'ব, অৰ্থাৎ ঃ- ''পৰন্তু কোনো এনে অপৰিহাৰ্য্য সামগ্ৰীৰ ক্ষেত্ৰত যিবোৰৰ খুচুৰা বিক্ৰী মূল্য এই অধিনিয়মৰ অধীনত বা সম্প্ৰতি বলবৎ কোনো আন বিধিৰ অধীনত কেন্দ্ৰীয় চৰকাৰ বা এখন ৰাজ্য চৰকাৰৰ দ্বাৰা স্থিৰ কৰা হৈছে, সমাহৰ্ত্তাই ইয়াৰ সমান বিতৰণ আৰু সুলভ মূল্যত সহজলভ্যতাৰ বাবে এনেদৰে স্থিৰ কৰি দিয়া মূল্যত সুলভ মূল্য দোকানৰ যোগেদি সেইবোৰক বিক্ৰী কৰিবলৈ আদেশ দিব'' ।

ধাৰা ৬গৰ সংশোধন।

৫। মূল অধিনিয়মৰ ধাৰা ৬ গত -

(ক) উপধাৰা (১)ত, ''সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ দ্বাৰা নিযুক্তি দিয়া কোনো ন্যায়িক প্ৰাধিকাৰী আৰু ন্যায়িক প্ৰাধিকাৰী'' শব্দবোৰৰ বাবে ''সংশ্লিষ্ট ৰাজ্য চৰকাৰ আৰু ৰাজ্য চৰকাৰ'' শব্দবোৰ প্ৰতিষ্ঠাপিত কৰা হ'ব ;

(খ) উপধাৰা (২)ত ''এনে ন্যায়িক প্ৰাধিকাৰী'' শব্দবোৰৰ বাবে ''ৰাজ্য চৰকাৰ'' শব্দবোৰ প্ৰতিষ্ঠাপিত কৰা হ'ব।

ধাৰা ৬ঙৰ সংশোধন

৬। মূল অধিনিয়মৰ ধাৰা ৬ঙত,—

''ধাৰা ৬গত নিযুক্ত ন্যায়িক প্ৰাধিকাৰী'' শব্দ, সংখ্যা, আৰু আখৰবোৰৰ বাবে, ''ধাৰা ৬ গৰ অধীনত সংশ্লিষ্ট ৰাজ্য চৰকাৰ '' শব্দ, সংখ্যা আৰু আখৰবোৰ প্ৰতিষ্ঠাপিত কৰা হ'ব ;

(খ) '' কোনো আন ন্যায়ালয়, ন্যায়াধিকৰণ বা প্ৰাধিকাৰী,'' শব্দবোৰৰ বাবে '' আন ন্যায়ালয়, ন্যায়াধিকৰণ বা প্ৰাধিকাৰ'' শব্দবোৰ প্ৰতিষ্ঠাপিত কৰা হ'ব।

ধাৰা ৭ৰ সংশোধন।

৭। মূল অধিনিয়মৰ ধাৰা ৭ত,-

(ক) উপধাৰা (১)ত খণ্ড (ক)ৰ উপখণ্ড (ii) ৰ পৰন্তুকবোৰ লোপ কৰা হ'ব ;

(খ) উপধাৰা (২)ৰ পৰন্তুক লোপ কৰা হ'ব ;

(গ) উপধাৰা (২ক)ৰ পৰন্তুক লোপ কৰা হ'ব ;

(ঘ) উপধাৰা (২খ) লোপ কৰা হ'ব।

ধাৰা ৮ৰ সংশোধন।

৮। মূল অধিনিয়মৰ ধাৰা ৮ত নিম্নলিখিত পৰন্তুকবোৰ যোগ দিয়া হ'ব, অৰ্থাৎ ঃ-

''পৰন্তু য'ত কোনো ব্যক্তিয়ে নিজৰ ব্যৱহাৰৰ বাবে বা তেওঁৰ পৰিয়ালৰ কোনো সদস্যৰ ব্যৱহাৰৰ বাবে বা তেওঁৰ আশ্ৰিত কোনো ব্যক্তিৰ ব্যৱহাৰৰ বাবে ধাৰা ২ৰ খণ্ড (ক)ৰ উপখণ্ড (ivক) বা উপখণ্ড (v) ত উল্লিখিত প্ৰকৃতিৰ কোনো অপৰিহাৰ্য্য সামগ্ৰী যোগাৰ কৰাৰ প্ৰয়োজনাৰ্থে কোনো আদেশৰ উলঙ্ঘনত অপপ্ৰেৰণা দিছে, আৰু এনে অপৰিহাৰ্য্য সামগ্ৰীৰ কোনো ব্যৱসায় বা বাণিজ্যত ব্যৱসায় চলোৱাৰ উদ্দেশ্যে নহয়, ন্যায়ালয়ে ধাৰা ৭ত কোনো কথা থকা সত্ত্বেও আৰু ন্যায়নিৰ্ণয়ত উল্লিখিত কৰিবলগীয়া কাৰণৰ বাবে কেৱল জৰিমনাৰে দণ্ডাদেশ আৰোপ কৰিব পাৰে'' ।

ধাৰা ১০কৰ সংশোধন।

৯। মূল অধিনিয়মৰ ধাৰা ১০-কত ''সংজ্ঞেয়'' শব্দৰ পাচত ''আৰু অজামিন যোগ্য'' ''শব্দবোৰক অন্তঃস্থাপিত কৰা হ'ব।

নতুন ধাৰা ১০কক প্ৰতিষ্ঠাপন।

[1][৯ক। অপৰিহাৰ্য্য সামগ্ৰী অধিনিয়ম, ১৯৫৫ ত ধাৰা ১০ কৰ পাচত, নিম্নলিখিত ধাৰা অন্তঃস্থাপিত কৰা হ'ব, অৰ্থাৎ ঃ-

গ্ৰেপ্তাৰ কৰিবলৈ ক্ষমতা। ১৯৭৪ৰ ২

১০কক। দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ (১৯৭৪ৰ ২)ত কোনো কথা থকা সত্ত্বেও কোনো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত কোনো পদাধিকাৰীৰ পদমৰ্য্যাদাৰ নিম্নতৰ নোহোৱা কোনো পদাধিকাৰীক বা লিখিত ভাৱে এই মৰ্ম্মে তেওঁৰ দ্বাৰা প্ৰাধিকৃত কোনো আৰক্ষী পদাধিকাৰীয়ে এই অধিনিয়মৰ অধীনত দণ্ডনীয় কোনো অপৰাধ কৰা অভিযুক্ত কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিব ।'']

ধাৰা ১২ৰ লোপকৰণ।

১০। মূল অধিনিয়মৰ ধাৰা ১২ লোপ কৰা হ'ব।]

ধাৰা ১২কৰ বাবে নতুন ধাৰাৰ প্ৰতিষ্ঠাপন।

১১। মূল অধিনিয়মৰ ধাৰা ১২ কৰ বাবে, নিম্নলিখিত ধাৰাসমূহ প্ৰতিষ্ঠাপিত কৰা হ'ব, অৰ্থাৎ ঃ-

---

১। ১৯৯৩ ৰ অধিনিয়ম ৩৪ৰ ধাৰা ৪ৰ দ্বাৰা (২৭-৮-১৯৯২ পৰা প্ৰভাৱী হোৱাকৈ) অন্তঃস্থাপিত।

অপৰিহাৰ্য্য সামগ্ৰী (বিশেষ উপবন্ধ) অধিনিয়ম, ১৯৮১

বিশেষ ন্যায়ালয়ৰ গঠন ।

১২ক ।(১) ৰাজ্য চৰকাৰে, এই অধিনিয়মৰ অধীনত অপৰাধসমূহৰ দ্ৰুত বিচাৰ উপবন্ধিত কৰাৰ প্ৰয়োজনাৰ্থে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে এলেকা বা এলেকাসমূহৰ বাবে আৱশ্যক হোৱাৰ দৰে যথেষ্ট সংখ্যক বিশেষ ন্যায়ালয় গঠন কৰিব পাৰে ।

(২) এখন বিশেষ ন্যায়ালয় এজন ন্যায়াধীশেৰে গঠিত হব যিজনক ৰাজ্য চৰকাৰৰ দ্বাৰা কৰা কোনো অনুৰোধৰ ওপৰত উচ্চ ন্যায়ালয়ৰ দ্বাৰা নিয়োগ কৰা হ'ব ।

**স্পষ্টীকৰণ** - এই উপধাৰাত ''নিযুক্তি'' শব্দটোৰ সংহিতাৰ ধাৰা ৯ৰ স্পষ্টীকৰণত ইয়ালৈ দিয়া অৰ্থ থাকিব ।

(৩) কোনো ব্যক্তি কোনো বিশেষ ন্যায়ালয়ৰ এজন ন্যায়াধীশ ৰূপে নিযুক্তিৰ বাবে অৰ্হতাযুক্ত নহব যদিহে-

(ক) তেওঁ, কোনো উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰূপে নিযুক্তিৰ বাবে অৰ্হতাযুক্ত নহয়, বা

(খ) তেওঁ, এবছৰৰ কম নোহোৱা এটা অবধিৰ বাবে, এজন ছেচন ন্যায়াধীশ বা এজন অতিৰিক্ত ছেচন ন্যায়াধীশ হৈ থকা নাই ।

**বিশেষ ন্যায়ালয়ৰ দ্বাৰা বিচাৰযোগ্য অপৰাধসমূহ ।**

১২কক । সংহিতাত কোনো কথা থকা সত্ত্বেও,—

(ক) এই অধিনিয়মৰ অধীনত সকলো অপৰাধ, য'ত অপৰাধসমূহ সংঘটিত হৈছে সেই এলেকাৰ বাবে গঠিত বিশেষ ন্যায়ালয়ৰ দ্বাৰা কেৱল বিচাৰযোগ্য হ'ব বা য'ত এনে এলেকাৰ বাবে এখনৰ অধিক বিশেষ ন্যায়ালয় আছে সেইবোৰৰ কোনো এখনৰ দ্বাৰা বিচাৰযোগ্য হ'ব যিদৰে উচ্চ ন্যায়ালয়ৰ দ্বাৰা এই মৰ্ম্মে বিনিৰ্দ্দিষ্ট কৰা হয় ।

(খ) য'ত এই অধিনিয়মৰ অধীনত কোনো অপৰাধ সংঘটিত কৰা অভিযুক্ত বা সন্দেহ কৰা কোনো ব্যক্তিক এই সংহিতাৰ ধাৰা ১৬৭ৰ উপধাৰা (২) বা উপধাৰা (২ক)ৰ অধীনত কোনো দণ্ডাধীশলৈ প্ৰেৰণ কৰা হয়, এনে দণ্ডাধীশে সম্পূৰ্ণৰূপে পোন্ধৰ দিনৰ অনধিক কোনো অৱধিৰ বাবে, যিদৰে তেওঁ উচিত বুলি ভাৱে এনে অভিৰক্ষাত এনে ব্যক্তিক নিষেধকৰণ প্ৰাধিকৃত কৰিব পাৰে য'ত এনে দণ্ডাধীশ কোনো ন্যায়িক দণ্ডাধীশ হয় আৰু সম্পূৰ্ণ ৰূপে সাত দিন য'ত এনে দণ্ডাধীশ, কোনো কাৰ্য্যবাহী দণ্ডাধীশ হয় ঃ

পৰন্তু য'ত এনে দণ্ডাধীশে,-

(i) যেতিয়া এনে ব্যক্তিক পূৰ্বোক্ত দৰে তেওঁলৈ প্ৰেৰণ কৰা হয় ; বা

(ii) তেওঁৰ দ্বাৰা প্ৰাধিকৃত নিৰোধকৰণৰ অৱধিৰ অৱসানত বা পূৰ্বে কোনো সময়ত ,

বিবেচনা কৰে যে এনে ব্যক্তিৰ নিৰোধকৰণ অনাৱশ্যক, যদি তেওঁ সন্তুষ্ট হয় যে গোচৰটো ধাৰা ৮ৰ পৰন্তুকৰ অধীনত পৰে, এনে ব্যক্তিক জামিনত মুকলি কৰাৰ আদেশ দিব পাৰে আৰু যদি তেওঁ সন্তুষ্ট নহয়, অধিকাৰিতা থকা বিশেষ ন্যায়ালয়লৈ এনে ব্যক্তিক প্ৰেৰণ কৰিবলৈ আদেশ দিব ;

(গ) বিশেষ ন্যায়ালয়ে, এই উপধাৰাৰ খণ্ড (ঘ)ৰ উপবন্ধৰ সাপেক্ষে খণ্ড (খ)ৰ অধীনত ইয়ালৈ প্ৰেৰণ কৰা ব্যক্তিৰ সম্বন্ধত সদৃশ ক্ষমতা প্ৰয়োগ কৰিব পাৰে যিটো কোনো গোচৰ বিচাৰ কৰিবলৈ অধিকাৰিতা থকা দণ্ডাধীশে এনে গোচৰ কোনো অভিযুক্ত ব্যক্তিৰ সম্বন্ধত সংহিতাৰ ধাৰা ১৬৭ ৰ অধীনত প্ৰয়োগ কৰিব পাৰে যিজনক সেই ধাৰাৰ অধীনত তেওঁলৈ প্ৰেৰণ কৰা হৈছে ;

(ঘ) যথা পূৰ্বোক্ত ব্যতিৰেকে, এই অধিনিয়মৰ অধীনত কোনো অপৰাধ সংঘটনত অভিযুক্ত বা সন্দেহযুক্ত ব্যক্তিক বিশেষ ন্যায়ালয় বা উচ্চ ন্যায়ালয়ৰ অন্যথা কোনো ন্যায়ালয়ৰ দ্বাৰা জামিনত মোকোলাই দিয়া নহব ঃ

পৰন্তু এখন বিশেষ ন্যায়ালয়ে জামিনত কোনো এনে ব্যক্তিক মোকোলাই নিদিব--

(i) এনে মুকলিৰ বাবে আবেদনখন বিৰোধিতা কৰিবলৈ কোনো অভিযোজনক সুযোগ নিদিয়াকৈ যদিহে বিশেষ ন্যায়ালয়ে অভিলিখিত কৰিবলগীয়া কাৰণবোৰৰ বাবে, মত হয় যে এইটো এনে সুযোগ দিবলৈ প্ৰয়োগ সাধ্য নহয় ; আৰু

(ii) য'ত অভিযোজনে আবেদনখন বিৰোধিতা কৰে, যদি বিশেষ ন্যায়ালয় সন্তুষ্ট হয় যে তাত সেই বিশ্বাস কৰাৰ বাবে যুক্তিযুক্ত কাৰণ প্ৰতীত হৈছে যে তেওঁ সংশ্লিষ্ট অপৰাধৰ দোষী হৈছে ঃ

উপৰন্তু বিশেষ ন্যায়ালয়ে নিৰ্দ্দেশ দিব পাৰে যে কোনো এনে ব্যক্তিক জামিনত মুকলি কৰি দিব পাৰে যদি তেওঁ ষোল্ল বছৰৰ বয়সৰ তলৰ হয় বা তিৰোতা হয় বা কোনো ৰোগী বা দুৰ্ব্বল ব্যক্তি হয়, বা যদি বিশেষ ন্যায়ালয় সন্তুষ্ট হয় যে লিখিতভাৱে অভিলিখিত কৰিবলগীয়া কোনো আন বিশেষ কাৰণৰ বাবে এনেদৰে কৰিবলৈ ন্যায়সঙ্গত আৰু যথোচিত ;

(ঙ) কোনো বিশেষ ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত এটা অপৰাধ সংঘটনৰ তথ্যৰ আৰক্ষী প্ৰতিবেদনৰ পৰিশীলনত [১][বা সংশ্লিষ্ট চৰকাৰৰ দ্বাৰা এই মৰ্ম্মে প্ৰাধিকৃত কেন্দ্ৰীয় চৰকাৰ বা এখন ৰাজ্য চৰকাৰৰ এজন পদাধিকাৰীৰ দ্বাৰা দিয়া এটা গোচৰৰ ওপৰত] [২][বা কোনো ক্ষোভিত ব্যক্তি বা কোনো স্বীকৃতিপ্ৰাপ্ত উপভোক্তা সন্থা, এনে ব্যক্তি সেই সন্থাৰ সদস্য হওঁক বা নহওঁক] বিচাৰৰ বাবে ইয়াক সংঘটিত কৰা অভিযুক্তক চোপৰ্দ নকৰাকৈ সেই অপৰাধৰ সংজ্ঞান লব পাৰে ।

(চ) এই অধিনিয়মৰ অধীনত সকলো অপৰাধৰ এটা সংক্ষিপ্ত বিচাৰ কৰা হ'ব আৰু সংহিতাৰ ধাৰা ২৬২ পৰা ২৬৫ লৈ (দুয়োটা অন্তৰ্ভুক্ত কৰি) উপবন্ধক যিমান দূৰ পাৰি এনে বিচাৰত প্ৰয়োগ কৰা হ'ব ঃ

পৰন্তু এই ধাৰাৰ অধীনত কোনো সংক্ষিপ্ত বিচাৰত কোনো দোষীসাব্যস্তকৰণৰ ক্ষেত্ৰত এইটো দুবছৰৰ অধিক নোহোৱা এটা অৱধিৰ বাবে কাৰাবাসৰ এটা দণ্ডাদেশ পাৰিত কৰিবলৈ বিশেষ ন্যায়ালয়ৰ বাবে বিধিপূৰ্ণ হ'ব ।

(২) যেতিয়া এই অধিনিয়মৰ অধীনত কোনো অপৰাধো বিচাৰ কৰা হয়, কোনো বিশেষ ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত কোনো অপৰাধৰ অন্যথা আন কোনো অপৰাধো বিচাৰ কৰিব পাৰে, যিটোৰ সৈতে অভিযুক্তক, সংহিতাৰ অধীনত সদৃশ বিচাৰত, আৰোপিত কৰিব পাৰি ঃ

পৰন্তু এনে আন অপৰাধ, সম্প্ৰতি বলবৎ থকা কোনো বিধিৰ অধীনত, কোনো সংক্ষিপ্ত ব্যৱস্থাৰ দ্বাৰা বিচাৰযোগ্য হ'ব ঃ

উপৰন্তু এনে বিচাৰত এনে আন অপৰাধৰ বাবে কোনো দোষীসাব্যস্তকৰণৰ ক্ষেত্ৰত, এইটো এনে আন বিধিৰ অধীনত কোনো সংক্ষিপ্ত বিচাৰত দোষী সাব্যস্তৰ বাবে উপবন্ধিত অৱধিৰ অধিক হোৱা কোনো অৱধিৰ বাবে কাৰাবাসৰ কোনো দণ্ডাদেশ পাৰিত কৰিবলৈ বিশেষ ন্যায়ালয়ৰ বাবে বিধিপূৰ্ণ নহব ।

(৩) এখন বিশেষ ন্যায়ালয়ে, এই অধিনিয়মৰ অধীনৰ কোনো অপৰাধত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সংশ্লিষ্ট বা সংসৰ্গী হোৱা সন্দেহ থকা কোনো ব্যক্তিৰ সাক্ষ্য লাভ কৰাৰ উদ্দেশ্যে, অপৰাধৰ সম্বন্ধত তেওঁৰ জ্ঞানৰ ভিতৰত সম্পূৰ্ণ পৰিস্থিতিৰ কোনো সম্পূৰ্ণ আৰু সঁচা প্ৰকাশ কৰাৰ চৰ্ত্তত এনে ব্যক্তিলৈ আৰু তাৰ সংঘটনত মুখ্য বা অপপ্ৰেৰক ৰূপে সংশ্লিষ্ট প্ৰত্যেক আন ব্যক্তিলৈ ক্ষমা প্ৰদান কৰিব পাৰে, এনেদৰে প্ৰদান কৰা ক্ষমা সংহিতাৰ ধাৰা ৩০৮ৰ প্ৰয়োজনাৰ্থে তাৰ ধাৰা ৩০৭ৰ অধীনত প্ৰদান কৰা হৈছে বুলি গণ্য কৰা হ'ব ।

(৪) এই ধাৰাত থকা কোনো কথাই সংহিতাৰ ধাৰা ৪৩৯ ৰ অধীনত জামিন সম্বন্ধত উচ্চ ন্যায়ালয়ৰ বিশেষ ক্ষমতাক, প্ৰভাৱ পেলাব বুলি গণ্য নকৰিব আৰু উচ্চ ন্যায়ালয়ে সেই ধাৰাৰ উপধাৰা(১)ৰ খণ্ড (গ)ৰ অধীনত ক্ষমতা অন্তৰ্ভুক্ত কৰি এনে ক্ষমতা প্ৰয়োগ কৰিব পাৰে যেনিবা সেই ধাৰাত ''দণ্ডাধীশ '' লৈ থকা প্ৰসঙ্গ নিৰ্দ্দেশে ধাৰা ১২কৰ অধীনত গঠিত কোনো '' বিশেষ ন্যায়ালয়'' লৈ থকা কোনো প্ৰসঙ্গ নিৰ্দ্দেশকো অন্তৰ্ভুক্ত কৰিব ।

আপীল আৰু পুনৰীক্ষণ ।

১২কখ । উচ্চ ন্যায়ালয়ে, যিমান দূৰ প্ৰয়োগসাধ্য হয়, এখন উচ্চ ন্যায়ালয়ক সংহিতাৰ অধ্যায় ২৯ আৰু ৩০ৰ দ্বাৰা অৰ্পিত সকলো ক্ষমতা, প্ৰয়োগ কৰিব পাৰে যেনিবা উচ্চ ন্যায়ালয়ৰ অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত এখন বিশেষ ন্যায়ালয়, উচ্চ ন্যায়ালয়ৰ অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত গোচৰসমূহ বিচাৰ কৰা এখন চেছন ন্যায়ালয়হে আছিল ।

বিশেষ ন্যায়ালয়ৰ কাৰ্য্যবাহীলৈ সংহিতাৰ প্ৰয়োগ ।

১২কগ । এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যতিৰেকে, সংহিতাৰ উপবন্ধসমূহ (জামিন আৰু খতপত্ৰ ৰূপে উপবন্ধসমূহ অন্তৰ্ভুক্ত কৰি) কোনো বিশেষ ন্যায়ালয়ত কাৰ্য্যবাহী কৰা হ'ব আৰু উক্ত উপবন্ধৰ প্ৰয়োজনাৰ্থে, বিশেষ ন্যায়ালয়ক কোনো চেছন ন্যায়ালয় বুলি গণ্য কৰা হ'ব আৰু কোনো বিশেষ ন্যায়ালয়ত এটা অভিযোজন পৰিচালনা কৰা ব্যক্তিক এজন লোক অভিযোজক বুলি গণ্য কৰা হ'ব ।'

১ । ১৯৮৬ৰ অধিনিয়ম ৪২ৰ ধাৰা ৪ৰ দ্বাৰা (৯-৯-১৯৮৬ৰ পৰা প্ৰভাৱী হোৱাকৈ ) অন্তঃস্থাপিত ।

২ । ১৯৮৬ৰ অধিনিয়ম ৭৩ৰ ধাৰা ৩ৰ দ্বাৰা (১-৫-১৯৮৭ৰ পৰা প্ৰভাৱী হোৱাকৈ) অন্তঃস্থাপিত ।

ৰাষ্ট্ৰপতিয়ে অপৰিহাৰ্য্য সামগ্ৰী (বিশেষ উপবন্ধ) অধিনিয়ম, ১৯৮১ (১৯৮১ৰ অধিনিয়ম সংখ্যা ১৮)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, ( কেন্দ্ৰীয় বিধি ) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ ৰ অধিনিয়ম সংখ্যা ৫০) ।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Essential Commodities (Special Provisions) Act, 1981 (Act No. 18 of 1981) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts(Central Laws) Act, 1973 (Act No. 50 of 1973).

**SANJAY SINGH**
Secretary to the Govt. of India

New Delhi
Date :

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৪-০৬-১৮*